জাতৰ সেৱাত উৎসাগত ৬০ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্রুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

। ১৫১ সংখ্যা, ২০ পুহ, দেওবাৰ, ১৯৪৬শক । DAINIK ASAM : Assamese Daily । VOL. 60 NO. 151 । DIBRUGARH, SUNDAY, JANUARY 5, 2025 । পৃষ্ঠা ১৬ (Pages 16)

## শান্তনু পূজাৰী যোৰহাট বিজেপিৰ সভাপতি নিযুক্ত

নিজা বাতৰি দিওঁতা

পুলিবৰ (যোৰহাট), ৪ জানুৱাৰী ঃ ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক সমিতিয়ে জ্যেষ্ঠ বিজেপি কৰ্মী শান্তনু পূজাৰীক ২ জানুৱাৰীত যোৰহাট জিলা বিজেপিৰ সভাপতি হিচাপে নিযুক্তি প্ৰদান কৰে। উল্লেখ্য যে সমগ্ৰ ৰাজ্যতে সাংগঠনিক ভেটি শক্তিশালী কৰিবৰ বাবে ৰাজ্যিক সমিতিয়ে জিলাই জিলাই বিজেপিৰ বুথ আৰু মণ্ডল পৰ্যায়ত সভাপতি নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰি তুলিছে। উল্লেখ্য যে ২৪ ডিচেম্বৰৰ নিশা জিলাখনৰ সংগঠন পৰ্বৰ দায়িত্বত থকা পৰ্যবেক্ষকে চাবিজনৰ নাম সন্নিৱিষ্ট দুখন তালিকা পৃথকে পৃথকে ৰাজ্যিক সমিতিলৈ প্ৰেৰণ কৰিছিল। এক সূত্ৰ অনুসৰি উক্ত তালিকাত সভাপতি হেমন্ত কলিতাৰ লগতে অমৰজ্যোতি শইকীয়া, ৰুবুল নেওগ আৰু দিব্যজ্যোতি লিখকৰ নাম আছিল। পৰৱৰ্তী সময়ত উক্ত তালিকাৰপৰা কলিতা আৰু লিখকৰ নাম কৰ্তন কৰি সিদ্ধাৰ্থ অংকুৰ বৰুৱা আৰু শান্তনু পূজাৰীৰ নাম সন্নিৱিষ্ট কৰা হয়। শান্তনু পূজাৰী আছিল আৰু এছ এছবো পচন্দৰ প্ৰাৰ্থী।

## ডিব্রুগড়ত সুশাসন সপ্তাহৰ কৰ্মশালা অনুষ্ঠিত




জিলাৰ বাতৰি দিওঁতা

ডিব্রুগড়, ৪ জানুৱাৰী ঃ সুশাসন হৈছে এটা জাতিৰ, প্ৰগতিৰ মূল চাবি-কাঠী। ডিব্রুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই ২৪ ডিচেম্বৰত ডিব্রুগড় জিলা প্ৰশাসনে সুশাসন সপ্তাহৰ অংশ হিচাপে অনুষ্ঠিত কৰা এক কৰ্মশালাত তেনেদৰে কয়। দেশ বা ৰাষ্ট্ৰত সুশাসন প্ৰবৰ্তন হ'লে সেই দেশৰ প্ৰগতি আৰু উন্নতি কোনেও ৰোধ কৰিব নোৱাৰে বুলি উল্লেখ কৰি তেওঁ কয় যে এখন ৰাষ্ট্ৰৰ প্ৰত্যেকটো দিশ সঠিকভাৱে ব্যৱহাৰ কৰা, নৈতিকতা বৰ্তাই ৰখা, স্বচ্ছ ব্যৱস্থাপনা প্ৰবৰ্তন হোৱা আদি সুশাসনৰ অন্যতম অংশ। পৃথিৱীৰ সুশাসনৰ তালিকাত থকা চিংগাপুৰ, ডেনমাৰ্ক আৰু ফিনলেণ্ডৰ উদাহৰণ দাঙি ধৰি তেওঁ কয়, এই দেশবোৰত সুশাসনৰ বাবে জনপ্ৰিয় হোৱাৰ মূল কাৰণটো হ'ল সকলো শ্ৰেণীৰ অংশগ্ৰহণ আৰু সিদ্ধান্ত গ্ৰহণ। ডিব্রুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ডঃ কন্দৰ্প কুমাৰ ডেকাই সঞ্চালনা কৰা সভাত শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰে শিক্ষা আৰু দক্ষতা বিকাশৰ ওপৰত মননশীল বক্তৃতা প্ৰদান কৰে। চিকিৎসক ডাঃ শান্তনু লহকৰে চিকিৎসাৰ উত্তৰণৰ দিশত ল'ব পৰা ভূমিকাৰ সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। ডিব্রু মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ৰঞ্জন চাংমায়ে অৰ্থনৈতিক প্ৰগতিৰ সম্পৰ্কত বিশ্লেষণ আগবঢ়ায়। অতিৰিক্ত আয়ুক্ত নন্দিতা বৰুৱাই অনুষ্ঠানটোৰ আঁত ধৰাৰ লগতে আদৰণী ভাষণ প্ৰদান কৰে। ডি এইচ এছ কানৈ বাণিজ্য মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শৈলেন গগৈ আৰু এন এল বি চিটি মহাবিদ্যালয়ৰ উপাধ্যক্ষা মানসী বৰগোহাঁয়ে অনুষ্ঠানত মত-বিনিময় কৰে। অনুষ্ঠানত কেইবাটাও উন্নয়ন সম্পৰ্কত পি পি টি পৰিৱেশন কৰে। ডিব্রুগড়ৰ কেইবাজনো প্ৰশাসনিক বিষয়াৰ লগতে পশ্চিম ৰাজহ চক্ৰ বিষয়া সংলগ্ন সুৰজিতা শৰ্মা, ৰেভিনিউ চিৰস্তাদাৰ আদিও উক্ত অনুষ্ঠানত উপস্থিত থাকে।

## এ চি এছ বিষয়া ... দলেৰ বাসগৃহ-কাৰ্যাল...



আয় বহিৰ্ভূত সম্পত্তি আহৰণৰ গোচৰ

বিধানসভা নিৰ্বাচনৰ প্ৰাক্কালত চমক

## ...ালে দহ সহস্ৰাধি... ২,৩৫০ পৰিয়...



মিত বায়ুৰ গুণমান

## ...ৰ্বাধিক প্ৰদূষণ